# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 02-08-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বাৰাণসীত প্ৰায় দুহেজাৰ ২০০ কোটি টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। নিৰ্বাচন আয়োগে অহা ৯ ছেপ্তেম্বৰত উপ ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে।

৩। উৎসৱৰ সময়ত যাত্ৰীৰ প্ৰতি লক্ষ্য ৰাখি দেশৰ ৭৩টা বৃহৎ ৰে'ল ষ্টেচনৰ, ষ্টেচন সঞ্চালকসকলক ভিৰ নিয়ন্ত্ৰণৰ বাবে তাৎক্ষণিক সিদ্ধান্ত ল'ব পৰাকৈ ক্ষমতা প্ৰদান কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

৪। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে ভাৰত মহাসাগৰীয় খণ্ডৰ দেশসমূহৰ সৈতে ভাৰতৰ শক্তিশালী ৰাজনৈতিক সম্পৰ্ক আছে বুলি উল্লেখ কৰিছে। ***আৰু***

৫। অ'ভেল টেষ্টৰ আজি তৃতীয় দিনা ভাৰতে কালি দুটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৭৫ ৰানৰ পৰা নিজৰ দ্বিতীয় ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেওঁৰ সংসদীয় সমষ্টি বাৰাণসী ভ্ৰমণ কৰি প্ৰায় দুহেজাৰ ২০০ কোটি টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ তাত এখন জনসভাতো অংশ ল'ব। শ্ৰীমোদীয়ে বাৰাণসীৰ পৰাই কৃষক কল্যাণৰ গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২০ সংখ্যক কিস্তি মুকলি কৰিব। ইয়াৰ জৰিয়তে সমগ্ৰ দেশৰ ৯ কোটি ৭ লাখৰো অধিক কৃষকৰ বেংক একাউণ্টলৈ ২০ হাজাৰ ৫০০ কোটি টকা প্ৰত্যক্ষভাৱে হস্তান্তৰ কৰা হ'ব। ইয়াকে ধৰি এই আঁচনিৰ অধীনত মোকলাই দিয়া মুঠ ধনৰ পৰিমাণ হ'ব ৩ দশমিক ৯-০ লাখ কোটি টকা।

প্ৰধানমন্ত্ৰী মোদীয়ে আজি বাৰাণসীৰ পথ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ বাবে কেইবাটাও আন্তঃগাঁথনিমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ পুনৰ নিৰ্মাণ কৰি উলিওৱা বাৰাণসী-ভাদোহী আৰু চিতৌনি-শুল টংকেশ্বৰ পথৰ লগতে হৰিদত্তপুৰত এখন ৰে'লৰে অভাৰব্ৰীজ মুকলি কৰিব। সমষ্টিটোৰ শক্তি আন্তঃগাঁথনি শক্তিশালী কৰাৰ উদ্দেশ্যে শ্ৰীমোদীয়ে স্মাৰ্ট বিতৰণ প্ৰকল্পৰ অধীনত বিভিন্ন কাৰ্যসূচী গ্ৰহণৰ লগতে ৮ হাজাৰ ৮০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে মাটিৰ তলেৰে বৈদ্যুতিন আন্তঃগাঁথনি নিৰ্মাণ প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে জলজীৱন মিছনৰ অধীনত ৪৭ খন গ্ৰাম্য খোৱাপানী আঁচনি মুকলি কৰিব।

ooooo

নিৰ্বাচন আয়োগে অহা ৯ ছেপ্তেম্বৰত উপ ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে। নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি এই নিৰ্বাচনৰ বাবে অহা ৭ আগষ্টত আনুষ্ঠানিক অধিসূচনা জাৰি কৰা হ'ব। ২১ আগষ্টৰ ভিতৰত মনোনয়ন পত্ৰ দাখিল কৰিব লাগিব আৰু প্ৰয়োজন হ'লে ৯

ছেপ্তেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বিধি অনুযায়ী ভোটগ্ৰহণ সংসদ ভৱনত অনুষ্ঠিত হ'ব। লোকসভাৰ ৫৪২ গৰাকী নিৰ্বাচিত সাংসদ আৰু ৰাজ্যসভাৰ ২৩৩ গৰাকী নিৰ্বাচিত সাংসদে এই নিৰ্বাচনত অংশগ্ৰহণ কৰিব পাৰিব। সমানুপাতিক প্ৰতিনিধিত্বৰ আধাৰত প্ৰতিগৰাকী সাংসদৰ ভোটৰ মূল্য নিৰ্ধাৰিত হয়।

উল্লেখযোগ্য যে, জগদীপ ধনখড়ে যোৱা ২১ জুলাইত আচম্বিতে পদত্যাগ কৰাৰ ফলত উপ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ প্ৰয়োজন হৈছে।

০০০০০

উৎসৱৰ সময়ত যাত্ৰীৰ যথেষ্ট ভিৰৰ প্ৰতি লক্ষ্য ৰাখি দেশৰ ৭৩টা বৃহৎ ৰে'ল ষ্টেচনৰ, ষ্টেচন সঞ্চালকসকলক ভিৰ নিয়ন্ত্ৰণৰ বাবে তাৎক্ষণিক সিদ্ধান্ত ল'ব পৰাকৈ ক্ষমতা প্ৰদান কৰা হ'ব। ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি ৰাজ্যসভাত উত্থাপিত এটা প্ৰশ্নৰ লিখিত উত্তৰত এইদৰে জনায়। শ্ৰীবৈষ্ণৱে কয়, যে ৰে'লৱেই ষ্টেচনসমূহত যাত্ৰীৰ অধিক ভিৰ নিয়ন্ত্ৰণৰ বাবে বহল পদ উৰণ সেতুৰ লগতে ষ্টেচনৰ বাহিৰত যাত্ৰীৰ স্থায়ী অপেক্ষাকৃত স্থান প্ৰকল্পৰ ব্যৱস্থা কৰা হৈছে। প্ৰায় ৫টা ষ্টেচনত এনে প্ৰকল্পৰ কামে অগ্ৰগতি লাভ কৰিছে। অধিক ভিৰ-ভাৰ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কেইবাটাও ষ্টেচনত চিচিটিভৰ নিৰীক্ষণ, ৱাকিটকি আৰু ঘোষণা ব্যৱস্থাৰ লগতে ৱাৰ ৰুম স্থাপন কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে যাত্ৰাৰ বাবে নিশ্চিত টিকট থকা যাত্ৰীসকলেহে প্লেটফৰ্মত প্ৰৱেশ কৰিব পাৰিব। টিকটবিহীন আৰু অপেক্ষাৰ তালিকাত থকা যাত্ৰীসকলে ৰে'ল এৰাৰ সময়লৈ বাহিৰৰ অপেক্ষাকৃত স্থানত ৰ'ব পাৰিব।

০০০০০

সমাগত গকুলাষ্টমীৰ সময়ত দহি-হাণ্ডি উৎসৱত ভাগ লোৱা এক লাখ ৫০ হাজাৰ গোবিন্দৰ বাবে মহাৰাষ্ট্ৰ চৰকাৰে বীমাৰ ব্যৱস্থা ঘোষণা কৰিছে। এই লোকসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে চৰকাৰে অৰিয়েণ্টেল বীমা কোম্পানীৰ জৰিয়তে ৭৫ টকা হাৰত অংশগ্ৰহণকাৰীৰ বাবে বীমাৰ ব্যৱস্থা কৰা হৈছে। দহি-হাণ্ডি উৎসৱৰ সময়ত মানৱ পিৰামিড নিৰ্মাণৰ সময়ত অংশগ্ৰহণকাৰীসকলৰ আঘাতৰ প্ৰতি লক্ষ্য ৰাখি এই বীমাৰ ব্যৱস্থা কৰা হৈছে। চৰকাৰে ক্ৰীড়া উন্নয়ন পুঁজিৰ পৰা এই উদ্দেশ্যে এক কোটি ১২ লাখ টকাৰ অনুমোদন দিব।

০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে কয়, যে ভাৰত মহাসাগৰীয় খণ্ডৰ দেশসমূহৰ সৈতে ভাৰতৰ শক্তিশালী ৰাজনৈতিক সম্পৰ্ক আছে আৰু এই দেশসমূহৰ সৈতে বাণিজ্য আৰু বিনিয়োগ সম্পৰ্কও বৃদ্ধি পাইছে। তেওঁ কয়, যে এই দেশসমূহৰ সৈতে উন্নয়নমূলক প্ৰকল্প আৰু আন্তঃগাঁথনিমূলক সহযোগিতা বৃদ্ধি পোৱাৰ লগতে সকলো খণ্ডতে ব্যাপক সহযোগিতা গঢ়ি উঠিছে। লোকসভাত কালি এটা প্ৰশ্নৰ লিখিত উত্তৰত শ্ৰীসিঙে উল্লেখ কৰে যে চৰকাৰে ভাৰত মহাসাগৰীয় খণ্ডত ভাৰতৰ সুৰক্ষা আৰু অৰ্থনৈতিক দিশক প্ৰভাৱিত কৰিব পৰা সকলো বিষয় তীক্ষ্ণভাৱে পৰ্যবেক্ষণ কৰি আছে আৰু এই ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে শ্ৰীলংকা, মালদ্বীপ আৰু মৰিছাছৰ দৰে দেশসমূহে ভাৰতৰ চুবুৰীয়া প্ৰথম নীতি আৰু মহাসাগৰ দৰ্শনত গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে বুলি উল্লেখ কৰে।

০০০০০

দক্ষিণ কাশ্মীৰৰ কুলগাম জিলাৰ অখাল দেৰছৰ অঞ্চলত কালি সন্ধিয়া সুৰক্ষা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজত সংঘৰ্ষ হয়। আৰক্ষীৰ সূত্ৰই জনোৱা মতে অখাল দেৰছৰ অঞ্চলত সন্ত্ৰাসবাদীৰ উপস্থিতি সন্দৰ্ভত লাভ কৰা তথ্যৰ ভিত্তিত সেনা, জম্মু-কাশ্মীৰ আৰক্ষী আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীয়ে যুটীয়াভাৱে এই অভিযান চলাইছিল। আন্ধাৰৰ বাবে কালি সাময়িকভাৱে স্থগিত ৰখা এই অভিযান আজি পুৱা পুনৰ আৰম্ভ হৈছে। এই অভিযানৰ সবিশেষ তথ্য এতিয়াও লাভ কৰা নাই।

ooooo

ডাবলিনত থকা ভাৰতীয় দূতাবাসে আয়াৰলেণ্ডত বাস কৰা সকলো ভাৰতীয় নাগৰিকক ব্যক্তিগত সুৰক্ষাৰ ক্ষেত্ৰত বিশেষভাৱে সতৰ্ক হ'বলৈ আৰু পৰাপক্ষত নিৰ্জন স্থানত নাযাবলৈ পৰামৰ্শ দিছে। ভাৰতীয় দূতাবাসে কালি জাৰি কৰা এটা নিৰ্দেশত উল্লেখ কৰা মতে আয়াৰলেণ্ডত শেহতীয়াকৈ ভাৰতীয় নাগৰিকক শাৰীৰিকভাৱে আক্ৰমণ কৰাৰ ঘটনা বৃদ্ধি পাইছে। দূতাবাসে এই সংক্ৰান্তত দেশখনৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে কথা বতৰা হৈছে বুলি প্ৰকাশ কৰিছে।

ooooo

পাকিস্তানৰ লাহোৰত কালি সন্ধিয়া এখন ৰে'লৰ কেইবাটাও ডবা লাইনচ্যুত হোৱাৰ ফলত কমেও ৩০ জন যাত্ৰী আহত হয়। পাকিস্তান ৰে'লৱেই প্ৰকাশ কৰা অনুসৰি ৰাৱলপিণ্ডিৰ পৰা লাহোৰ অভিমুখে গৈ থকা ইছলামাবাদ এক্সপ্ৰেছ ৰে'লখনৰ শ্বেইখুপুৰাৰ কালাছাহ কাকু অঞ্চলত প্ৰায় ১০টা দবা লাইনচ্যুত হয়। অঞ্চলটোত এতিয়াও উদ্ধাৰ অভিযান অব্যাহত আছে।

ooooo

লণ্ডনৰ অ'ভেলত অনুষ্ঠিত এণ্ডাৰছন-তেণ্ডুলকাৰ ট্ৰফীৰ পঞ্চম তথা অন্তিমখন টেষ্টৰ আজি তৃতীয় দিনা ভাৰতে কালি দুটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৭৫ ৰানৰ পৰা নিজৰ দ্বিতীয় ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব।

য়শস্বী জয়ছোৱালে ৫১ আৰু আকাশ দীপে ৪ ৰান কৰি খেলি আছিল। ইংলেণ্ডৰ হৈ গাছ আটকিন্সন আৰু জছ্ টঙে এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ইংলেণ্ডে ২৪৭ ৰানত নিজৰ প্ৰথম ইনিংছ সামৰে। ভাৰতে প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ২২৪ ৰান কৰে।

ooooo

মাকাও অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত আজি ভাৰতীয় খেলুৱৈসকলে ফাইনেলত স্থান নিশ্চিতকৰণৰ বাবে অৱতীৰ্ণ হ'ব। পুৰুষৰ ছিংগলছ্‌ৰ ছেমিফাইনেলত লক্ষ্য সেনে ইণ্ডোনেছিয়াৰ আলৱি ফাৰহানৰ মুখামুখি হ'ব। লক্ষ্য সেনে কালি চীনৰ ঝু জুৱান চেনক ২১-১৪, ১৮-২১ আৰু ২১-১৪ গেমত পৰাস্ত কৰে।  আনগৰাকী ভাৰতীয় শ্বাটলাৰ তৰুণ মান্নেপাল্লিয়ে চীনৰ হু ঝে আনক ২১-১২, ১৩-২১ আৰু ২১-১৮ গেমত পৰাস্ত কৰি ইতিমধ্যে ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে।

আনহাতে, সাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটো কালি প্ৰতিযোগিতাৰ ডাবলছ্‌ৰ কোৱাৰ্টাৰ ফাইনেলত মালয়েছিয়াৰ যুটী চুং হন জিয়ান আৰু মহম্মদ হাইকালৰ বিৰুদ্ধে পৰাস্ত হয়।

ooooo

সমাপ্ত